## নৱবৰ্ষ

মিণ্টুমণি মহন্ত
স্নাতক প্ৰথম বৰ্ষ (কলা)

হে নৱবৰ্ষ
তুমি নতুন
তুমি অভিনৱ
তোমালৈ ৰৈ থাকোঁ আমি
অপলক নেত্ৰে চাই।
তুমিয়েই কঢ়িয়াই আনা
কেতিয়াবা হাঁহি, কেতিয়াবা কান্দোন,
কেতিয়াবা সুখ আৰু কেতিয়াবা দুখ।
তোমাৰ আগমনত বিশ্ববাসীয়ে পাহৰে
বিগত বছৰৰ সকলো দুখ,
তুমিয়েই কঢ়িয়াই আনা হাঁহিৰ জোঁৱাৰেৰে
উজ্বলি উঠে বিশ্বৰ মুখ।
তোমাৰ আগমণত বিশ্ববাসীয়ে
পৰস্পৰক দিয়ে কিমান যে শুভেচ্ছা
তুমিয়েই আনা মানুহৰ মনলৈ
মৰম বিলোৱাৰ বতৰা।
☆☆☆



## নম্ৰতাৰ বাবে এটুকুৰা

কুলেন্দ্ৰ ৰায় চৌধুৰী
স্নাতক ২য় বৰ্ষ (কলা)

মৰমৰ
নম্ৰতা,
কথাখিনি মুকলি কৈয়ে কওঁ
তুমি গুচি যোৱা
মোৰ পৰা দুৰ দিগন্তত।
ৰাতি ৰাতি পিতল চাকৰি পোহৰত
কেতিয়াবা মোলৈ কিছু মনত পেলাবা।
নহলে মোৰ দুচকুৱে বিচাৰি পাব বিষণ্ণতাৰ এক যমজ শান্তি
আৰু কি জানা! মোৰ যেতিয়া চিগাৰেট হুপি হুপি চৰ্বাক হ'ব
আৰু হেৰাই যাম কোনোবা অচিন বাটত
তেতিয়া মই সোণাৰু ফুল হৈ ফুলি ৰম
জালুকবাৰীৰ কোনোবা নিৰ্জন পথত।
তুমি তেতিয়া কান্দোনত বিভোৰ হৈ বহি থাকিবা
নীলিমাহীন আকাশত
তুমি হৈ থাকিবা আকালৰ ছোৱালী
দুৱাৰত ডাং দি তুমি টোপনি মাৰিবা।
অ' পাহৰিছিলোৱেই—
আজি খ্ৰীষ্টমাছৰ নিশা মই তোমাৰ তালৈ যাম,
পিঠিত ওক্ গছ আৰু ভোক-পিয়াহৰ এটা টোপোলা ল'ই।
তুমি মোজাপাত জুহালৰ ওচৰত গভীৰ আশাৰে
মোলৈ ৰৈ থাকিবা।
মই পাৰিলে ছান্টা-ক্লজ উপহাৰেৰে তোমাৰ
জোলোঙা ভৰাই দিম।


বিশেষ নাই
তোমাৰ দুবছৰৰ চিনাকী
জান্তিপ
☆☆☆

# প্ৰত্যাৱৰ্তন

ড° কমলেশ্বৰ ঠাকুৰীয়া
জ্যেষ্ঠ প্ৰৱক্তা
অসমীয়া বিভাগ

গ'লেৰ ৰ্মি। অক্টোবৰ মাহৰ শেষতো সূৰ্যৰ তীব্ৰতা কমা নাই। বাহিৰত প্ৰখৰ ৰ'দ, উষ্ণ প্ৰবাহ। সময় ভৰদুপৰীয়া। অপ্ৰত্যাশিতভাৱে বিদিশা ঘৰৰ ভিতৰত প্ৰৱেশ কৰি পোনচাতেই শান্তনু শুই থকা কোঠাটোলৈ গ'ল। ফেনখনৰ বেগ বঢ়াই দি শান্তনুক উদ্দ্যেশি অনুশাসনৰ সুৰত কৈ উঠিল।—

— এই মানুহজন যে, ইমান গৰমতো ফেনখনৰ গতি অলপ বঢ়াই নলয়!



ছোৱালীজনী শান্তনুৰ পিনে আগবঢ়াই দি বিদিশা ঘৰৰ ইটো-সিটো ঠিক-ঠাক কৰাত লাগিল, যেন সমগ্ৰ দিনটোৰ ব্যস্ততাৰ অন্তত ঘৰলৈ উভতি আহি নিত্যকৰ্মত আত্মনিয়োগ কৰিছে।

দেওবৰীয়া দুপৰৰ নিৰ্জন এই সময়খিনি শান্তনুৰ অধিক প্ৰিয়। টেপৰেকৰ্ডাৰত কম ভলিউম দি পাকিস্তানী শিল্পীৰ গজলৰ সুৰ-মায়াজালত অৱগাহন কৰাৰ এইখিনিয়েই প্ৰশস্ত সময়। কৌশলী শিল্পীৰ কণ্ঠই তিনিওতা সপ্তকত অবাধ বিচৰণ কৰাৰ দৰে, বিছনাত অলস ভাৱে নিজকে এৰি দিয়াৰ পিছত শান্তনুৰ চিন্তাশীল মনটোৱে সদায়ে অন্য এখন জগতত বিচৰণ কৰি ফুৰে। বিদিশাৰ অবৰ্তমানত শান্তনুৱে যেন হেৰোৱা জীৱনটো পুনৰ ঘূৰাই পাইছে। খেয়ালী মনৰ পত্নীৰ অনুপস্থিতি, আহ! কি প্ৰশান্তি। নাই সেই অবাঞ্চিত কোৰ্হাল, বিশৃঙ্খলা, অহেতুক ফৰ্মাইচ, নাই কোনো তাগিদা, অৰ্থহীন আৱদাৰ। অকস্মাৎ বিদিশাৰ আগমন আৰু ব্যস্ততা দেখি শান্তনু কিংকৰ্তব্যবিমূঢ় হৈ পৰিল। শান্তনুৰ চিন্তাত আউল লাগিল। শৰবিদ্ধ চৰাইৰ দৰে শান্তনুৰ ভাৱ-চিন্তাই যেন মাটিত আচাৰ খাই পৰিল।

চহৰত ডাঙৰ-দীঘল হোৱা, তাতে আকৌ আঢ্যৱন্ত পৰিয়ালৰ ছোৱালী বিদিশা। শান্তনুৰ ইচ্ছা নাছিল এনেকুৱা সংগতি সম্পন্ন পৰিয়ালত বৈবাহিক সম্পৰ্ক স্থাপন কৰিবলৈ। এনেয়ো বিয়া-বাৰু আদি সামাজিক বন্ধনৰ প্ৰতি শান্তনু আছিল তেনেই উদাসীন। মাকৰ সদায়ে চিন্তা ডাঙৰ ল'ৰাই বিয়া-বাৰু পাতি দুটি সন্তানেৰে সৈতে সুখেৰে সংসাৰ চলাইছে। সৰু পুতেকক এজনীৰ হাতত গোটাই দিব পাৰিলে তেওঁ মুক্তি পায়। সেয়ে চহৰৰ পৰা অহা বৈবাহিক সম্পৰ্কৰ প্ৰস্তাৱটো প্ৰত্যাখ্যান নকৰি প্ৰায়ে কৈ থাকে-

— ঘৰখন চোৱা-চিতা কৰিবলৈ এজনী গাঁৱলীয়া সহজ-সৰলমনা বোৱাৰী আছেই, আনজনী বোৱাৰী বাৰু চহৰৰ ছোৱালীয়েই হওকচোন।

শান্তনুৰ বিয়াৰ বাবে বয়স ৰৈ থকা নাই। ককায়েকে মাজে-সময়ে ঠাট্টা কৰি থাকে।

— এইবাৰ যদি বিয়া নাপাতা, অহাবাৰলৈ কিন্তু তোমাক কোনেও ছোৱালী নিদিয়ে।

বিয়া-বাৰুৰ নামত ইঘৰৰ পৰা সিঘৰ, ইজনীৰ পিছত সিজনী, বজাৰত কাপোৰ কিনাৰ দৰে ছোৱালী চাই ফুৰিব নোৱাৰি। ছোৱালীজনীৰ পঢ়া-শুনা সন্তোষজনক নহয় সঁচা, কিন্তু শান্তনুৰ দৰে উচ্চ শিক্ষিত লোক এজনে সেই অভাৱ পূৰণ কৰি ল'ব নোৱাৰাৰ কাৰণ নাই। চহকীঘৰৰ ছোৱালী-- সেয়াও একমাত্ৰ প্ৰতিবন্ধক হ'ব নোৱাৰে। আনহাতে বৈবাহিক সম্পৰ্কৰ বিবেচনাত সদায়ে পাত্ৰ-পক্ষক অগ্ৰাধিকাৰ দিয়া হয়। পাত্ৰী-পক্ষৰ ইচ্ছা-অনিচ্ছাকো সন্মান জনোৱা উচিত। শান্তনু শেষ সিদ্ধান্তলৈ আহিল-- এজনী শিক্ষিতা বা চাকৰিয়াল ছোৱালী বিবাহৰ উপযোগী বুলি বিবেচিত হোৱাৰ অন্যতম কাৰণ, তেওঁ আনি দিব পৰা আৰ্থিক স্বচ্ছলতাই নহয় জানো, তেনেহ'লে এজনী চহকী ঘৰৰ ছোৱালী বিয়া কৰোৱাত আপত্তি কৰিবলগীয়া কি আছে?

খোজত ধীৰ গতি, কণ্ঠত অনুচ্চ স্বৰ, মুখত ইষৎ লাজৰ বহিৰ্প্ৰকাশেৰে বিদিশা ন বোৱাৰী হৈ আহিল। শান্তনু বিদিশাকলৈ অনাগত ভৱিষ্যতৰ এক বৰ্ণময় স্বপ্নত বিভোৰ হ'ল। কিন্তু স্বপ্নৰ আবেশ যে বৰ ক্ষন্তেকীয়া, স্বপ্নভঙ্গ হ'বলৈ বেছি দেৰি নালাগে। সামান্য ব্যাঘাতেই স্বপ্নৰ কাঁচঘৰ ভাঙি চুৰমাৰ কৰিবলৈ যথেষ্ট। শান্তনুৰ স্বপ্নত আউল লাগিবলৈ ধৰিলে। বিদিশাৰ স্বৰূপ বুজিবলৈ শান্তনুৰ সৰহ সময় নালাগিল। নিশা সাৰ পাই প্ৰায়ে হাত দুখন মেলি দি বিদিশাই কৈ উঠে-- 'পানী'। নিতান্তই সৌজন্যমূলকভাৱে শান্তনুৱে ওচৰত থকা পানীৰ বটলটো আগবঢ়াই দিয়ে। সেই সময়ত শান্তনুৰ অনুভৱ হয়-- বিদিশা এজনী যেন শয্যশয়ী ৰোগী। সন্ধিয়াতে বিদিশা শোৱাপাটীত পৰি গেনা মহৰ দৰে নাকেৰে ঘৰ্‌ঘৰাবলৈ ধৰে। নিশাৰ আহাৰ খাবলৈ জগাই তুলিব লাগে। শোৱাৰ সময়ত আঠুৱাখনো তৰি নলয়। দুদিনমান শান্তনুৱে নিজেই ঘৰৰ দুৱাৰ-খিৰিকি বন্ধ কৰি বিদিশাৰ বিছনাত আঠুৱাখনো তৰি দিলে। কেতিয়াবা কথাষাৰ সোঁৱৰাই দিলে কয়-- 'তুমি আচাই লোন'। কিন্তু বিছনাত গাটো এৰি দিয়াৰ লগে লগে বিদিশা যেন অক্টোপাচলৈ ৰূপান্তৰ হয় আৰু শান্তনুক মেৰিয়াই ধৰিবলৈ অগ্ৰসৰ হয়। শান্তনুৰ অসহ্য লাগে, তাৰমানে বিদিশা সম্পূৰ্ণ জাগ্ৰত অৱস্থাত থাকে! ফিল্টাৰত পানী ঢালা, গাখীৰখিনি উতলি পৰিব চাবা, গেছটো নুমাই থবা, আঠুৱাখন তৰি ল'বা, লাইটৰ চুইচ অফ কৰা আদি এশ-এবুৰি নিৰ্দেশ বিদিশাৰ মুখত লাগিয়ে থাকে। কিবা পৰিবৰ্তন হয় যদি হওক বুলি পানী এগিলাচো খুজি নাখায় শান্তনুৱে। ৰাতিপুৱা-আবেলি নিজে চাহ তৈয়াৰ কৰি খায়। ব্যৱহাৰ কৰা কাপোৰ নিজে ধুই লয়। বিদিশাই কেতিয়াবা ক'বলৈ বাধ্য হৈ পৰে-- 'পত্নীৰ অধিকাৰো তুমি কেতিয়াবা কাঢ়ি লোৱা।' মাজে-সময়ে শান্তনুৰ ভাৱ হয়-- শান্তনুৰ সুখ-দুখ বিদিশাৰ লক্ষ্য নহয়, বৰঞ্চ বিদিশাৰ সুখ-স্বাচ্ছন্দ্য প্ৰাপ্তিৰ উপলক্ষ্যহে মাথো শান্তনু।

ইলু আৰু কুলু ককায়েকৰ ল'ৰা-ছোৱালী দুটা সৰু, কিন্তু শান্তনুৰ সিহঁত বন্ধুস্বৰূপ। শান্তনুৰ হৰ্ষ-বিষাদ, চিন্তা-চৰ্চাৰ পৰিমণ্ডলৰ সিহঁত অপৰিহাৰ্য্য অঙ্গ। পঢ়া-শুনা, খোৱা-লোৱা, পিন্ধা-উৰা, খেলা-ধূলাৰ কত যে আব্দাৰ সিহঁতৰ। শান্তনুৱে কিবা খাবলৈ নিদিলে যেন সিহঁতৰ পেটেই নভৰে। ৰাতিপুৱাৰ প্ৰথম লঘু আহাৰ যোগান দিব লাগিব শান্তনুৱে। বিদিশাৰ এইবোৰ ভাল নালাগে। মাজে মাজে সিহঁতক কয়-

— তোমালাকে বাৰু আনৰ ওপৰত খায়ে ডাঙৰ হ'লা, আমাৰহে বা ভৱিষ্যত কি আছে!

ঘৰৰ ভিতৰলৈ সিহঁতৰ আগমনৰ উমান পালে চিঞৰি উঠে--

-- এই চাবা, ঘৰ লেতেৰা নকৰিবা, পোনে ঘৰটো চাফা কৰিছোঁ মাত্ৰ।

শান্তনুৱে সিহঁতক কিবা খাবলৈ দিলে ক'ব--

--উঁ! খোৱা বস্তু মাটিত নেপেলাবা, মই চাফা কৰিব নোৱাৰোঁ।

এদিন সন্ধিয়া ইলুৱে শান্তনুৰ ওচৰলৈ আহি নতুন স্কুল-বেগ এখনৰ কথা ক'বলৈহে পালে, তিতা দাহৰ দৰে খেদি আহিল বিদিশা। ইলুক হাতত ধৰি বাহিৰ কৰি দি গুজৰি উঠিল--

— মই বহুত সহ্য কৰিছোঁ, আজি আৰু নহ'ব, ইহঁতৰ কাৰণে অলপ সময় শান্তিৰে থাকিব নোৱাৰোঁ।

শান্তনুৱে ইলুক ধৰি ৰাখিবলৈ যত্ন কৰিলে, কিন্তু ইলুৱে কোনো সঁহাৰি নিদিলে। শান্তনু অতীষ্ঠ হ'ল। ওচৰে-পাজৰে বিচাৰি তাক পোৱা নগল। এন্ধাৰত ঘৰৰ পিছৰ শিল এটুকুৰাত সি বহি থাকিল। গুজৰি-গুমৰি শান্তনু বিদিশাৰ ওচৰলৈ যাবলৈ উদ্যত হওঁতে খুড়াক আহি উপস্থিত হ'ল। এক অনিশ্চিত বিপদৰ পৰা সিদিনা বিদিশা কথমপি ৰক্ষা পৰিল।

মাজে মাজে বিদিশাই শান্তনুক নিজহাতে ইপদ-সিপদ

লঘু আহাৰ ৰান্ধি খুৱাই ভাল পায়। শান্তনুৱে মানা নকৰে, কিন্তু যেতিয়া প্ৰশ্ন কৰে–

মোক যে অকলে খাবলৈ দিছা, এওঁলোকৰ কাৰণে? বিদিশাই দুৱাৰৰ পৰ্দাখন টানি দি কয়–

– ৰান্ধি খাব দিয়া।

শান্তনুৰ খোৱা আৰু নহয়। খোৱা খাদ্য তাতে থেকেচা মাৰি আঁতৰি যায়। ঘৰৰ পৰা আলহী-কুটুম্ব আহিলে বিদিশা কোঠাৰপৰা নোলায়, বিভিন্ন গল্প-গুজৱ, আনন্দ-স্ফূৰ্তি কৰাৰ বাবেহে যেন সেইকেইটা আচুতীয়া দিন। ৰান্ধনি ঘৰত সেইকেইদিন শান্তনুৱে বৌৱেকক ৰন্ধা-বঢ়াত সহায় কৰি দিয়ে। নিজৰ আত্মীয় কুটুম্ব আহিলে নিজেহে ৰন্ধা-বঢ়াত আগভাগ ল'ব লাগে বুলি কেতিয়াবা সকীয়াই দিলে বিদিশাই তপৰাই উত্তৰ দিয়ে–

– আচলতে তুমি এজনী কামকৰা ছোৱালীহে বিয়া কৰাব লাগিছিল। সেইকাৰণে কওঁ আমি বেলেগে খাব লাগে বুলি। অযথা আনৰ বোজা টানি লাভ কি?

যাৰ অশেষ ত্যাগ আৰু কষ্টৰ বিনিময়ত শান্তনু আজি স্বনিৰ্ভৰশীল হ'বলৈ সক্ষম হৈছে, যাৰ সান্নিধ্যই শান্তনুৰ সমগ্ৰ জীৱন, সমগ্ৰ হৃদয় আনন্দৰে ভৰাই ৰাখিছে, শান্তনুৰ জীৱনৰ যি সকলো সুখ-দুখৰ সমভাগী হৈ আহিছে, তাৰ প্ৰতি কৰা এই কটুক্তিত শান্তনুৰ ধৈৰ্যৰ বান্ধ শিথিল হৈ পৰিল। পুঞ্জীভূত ক্ষোভ শান্তনুৱে দমন কৰি ৰাখিব নোৱাৰিলে। বাওঁহাতেৰে এক পূৰ্ণহতীয়া চৰ মাৰিবলৈ উদ্যত হ'ল। হিংস্ৰ বাঘিনীৰ দৰে বিদিশাই আৰ্তনাদ কৰি উঠিল–

মোক মাৰিবা? নাথাকোঁ, তোমাৰ সৈতে মই এক মুহূৰ্তও নাথাকোঁ। জানো নহয়, বৌৱেৰাৰ প্ৰতি কিয় ইমান দৰদ!

শান্তনুৰ হাতৰ কাণ তাল মাৰি ধৰা চৰ খাই বিদিশা ভূ-লুণ্ঠিত হৈ বাগৰি পৰিল। শান্তনুৱে কোনো অনুকম্পা প্ৰদৰ্শন নকৰিলে। সম্বিত পাই বিদিশা পোনচাতেই ফোনটোৰ ওচৰলৈ গ'ল। ঘৰলৈ ফোন কৰিলে ড্ৰাইভাৰ এজনৰ সৈতে তৎক্ষণাত গাড়ী এখন পঠাই দিবলৈ।

এবছৰ ব্যতিত হ'ল বিদিশা মাক-দেউতাকৰ ওচৰলৈ গুচি যোৱা, শান্তনু আৰু বিদিশাই কোনেও কাৰো খবৰ লোৱা নাই। বিদিশাকলৈ মাক-দেউতাক প্ৰথম অৱস্থাত যথেষ্ট ব্যস্ত হৈ পৰিছিল। বিদিশাই যাতে কেনো অভাৱ অনুভৱ নকৰে তাৰ প্ৰতি সতৰ্ক দৃষ্টি ৰাখিছিল। মাজে-সময়ে শান্তনুৰ ওচৰলৈ ঘূৰি যোৱাৰ কথাও কৈছিল। শান্তনুৰ কথা ক'লে বিদিশা অন্যমনস্ক হৈ পৰে। শান্তনু বিদিশাৰ বাবে এতিয়া অপ্ৰাসংগিক। কিন্তু সময় অতিবাহিত হোৱাৰ লগে লগে বিদিশাই অনুভৱ কৰিবলৈ ধৰিলে যে, শান্তনু লগত থাকিলে মাক-দেউতাকৰ অকল মৰম-স্নেহেই নহয়, যেন তাতোকৈ অধিক কিবা এটা বিদিশাই উপলব্ধি কৰিছিল। শান্তনু অবিহনে সেই আদৰ স্নেহত কিবা যেন এক যতি পৰে। কি সেই অভাৱ বিদিশাই স্পষ্টকৈ ধৰিব নোৱাৰে। কিন্তু বিদিশাই উপলব্ধি কৰিছে যে, নিজৰ পতিগৰাকী থকালৈকেহে ছোৱালী মাক-বাপেকৰ সমাদৰৰ পাত্ৰী। কিন্তু পতি অবিহনে তেওঁ দৰাচলতে মাক-বাপেকৰ দাঙিব নোৱাৰা বোজাহে। এদিন মাক আৰু দেউতাক আহি বিদিশাৰ ওচৰত বহিল। বিদিশাই ভাবিছিল নিশ্চয় আজিও মাক-দেউতাকে শান্তনুৰ ওচৰলৈ উভতি যোৱাৰ কথাকে ক'ব। নাই নক'লে। বৰঞ্চ যিখিনি কথা ক'লে, শুনি বিদিশাৰ অন্তৰত যেন এছাটি প্ৰবল ঘূৰ্ণি বতাহৰ সৃষ্টি হ'ল। দেউতাকে ক'লে–

– আমাৰো বয়স হৈ আহিছে। তোমাৰ সৈতে ভাই-ভনীয়েৰাহঁতৰো ভৱিষ্যৎ সংযুক্ত হৈ আছে। সেয়ে আমি ভাবিছোঁ ওচৰৰে মাটি ডৰাত তোমাৰ কাৰণে এটি ঘৰ সাঁজি দিওঁ। য'ত তুমি স্বচ্ছন্দে জীৱন নিৰ্বাহ কৰিব পাৰিবা।

এক অজান আশঙ্কাত বিদিশাৰ বুকুখন চিৰিংকৈ উঠিল, চিকাৰীৰ ফান্দত ভৰি দিয়া বন্য প্ৰাণীৰ দৰে সচকিত হৈ পৰিল।

– কিন্তু মইতো আচলতে তোমালোকৰ সৈতে একেলগে থাকিম বুলিহে.........

নাই, কথাখিনি কওঁ বুলি ভাবিও বিদিশাই নক'লে। ছোৱালীজনীক বুকুত সাৱতি ধৰি তাৰ সলনি বিদিশাই নিৰ্লিপ্তভাৱে কৈ উঠিল–

– নাই নালাগে। মই সিদ্ধান্ত লৈছোঁ, পুনৰ মই শান্তনুৰ ওচৰলৈ ঘূৰি যাম, শান্তনু যে মোৰ জীৱনৰ শেষ আশ্ৰয়।

☆☆☆

# এদিন অকস্মাৎ

হিৰণ্য অধিকাৰী

ফচ্‌কৈ এটা শব্দ হ'ল। বোধহয় চাইকেলৰ পিছৰ চকাটো ফুটিল। যাঃ এতিয়া! ক'ত মৰা মৰগৈ। ঘৰ পাবলৈ এতিয়াও দুই কিঃ মিঃ বাকী। নিজৰ ওপৰতে খং উঠিল তাৰ। কিহে পাইছিল তাক এনেকৈ অকলে অকলে গুচি আহিবলৈ। ছেঃ কি কৰা যায় বাৰু? নাই কোনো অহাও নাই। কোনেনো আহিব এই ভৰ দুপৰীয়াখন? উপায় নাপাই চাইকেলখন টানিয়েই বেগ দিলে সি। 'ৰাথলাংচাচ, ৰাথলাংথাচে, ধেং, খিটতাং..... ফুলকভাৰ চেইনৰ কৰ্কশ শব্দত নীৰৱ নিস্তব্ধ হাবিতলীয়া বাটটো ৰজনজনাই উঠিল।

বকোত ভাড়া কৰি থকা বকো কলেজৰ ছাত্ৰ হৃদয়। প্ৰত্যেক শনিবাৰে ঘৰলৈ আহে সি। আজিও আহি ধূপধৰাত নামি চিনাকী দোকানখনত খবৰ লৈছিল কোনোবা গাঁৱৰ মানুহ আছে নেকি? দোকানীজনে ক'লে যে চাইকেল এখন আছে গাঁৱৰে। সি সেইখনকে লৈ কাকো বাট নাচাই চিধাই ঘৰলৈ বুলি বাট পেলালে। ধূপধৰাৰ পৰা প্ৰায় আঠ কিঃ মিঃ দূৰত তাৰ ঘৰ। আহিলেই ভালে ভালে। হঠাতে এই অঘটন— 'ঝৰাট'! উচপ খাই উঠিল সি। কিহৰ শব্দ? হাতী নেকি? মাজে মাজে হাতীও ওলায় ইয়াত। নাই,.... এটা বান্দৰহে। হাতীৰ বাহিৰে হওঁতে বিশেষ ভয় নাই। হ'লেও আজিকালি যিহে দিন-কাল।... 'দিন-কাল'!! হঠাতে তাৰ জেপৰ টকাখিনিলৈ মনত পৰিল। নগদ পাঁচশ টকা। যোৱাবাৰ দেউতাকে কিতাপ কিনিবলৈ দিছিল। বকোত কিতাপ নোপোৱাত টকাখিনি জেপতেই ঘূৰাই আনিছিল। হঠাতে তাৰ মনত এটা ভয়ৰ সঞ্চাৰ হ'ল। যদিহে তাৰ টকাখিনি কোনোবাই ডকাইটি....। ধেৎতেৰী! কোনেনো জানিব তাৰ পকেটত টকা থকাৰ কথা। তথাপিও....... নাই বেগাই যোৱাই ভাল হ'ব। 'ধেংটাং খিৎ ঘেৰেৎ খিৎটাং...' আগৰ শিল, ইটা, গাত সি একো চোৱা নাই।... 'এই ৰহ'..। এক কঠিন আদেশ। ভয়ত অষ্ঠ-কণ্ঠ শুকাই গ'ল তাৰ। পুনৰ বেগ দিলে সি। 'এই... ৰহ, ৰহ, অই তই আগমাৰি ধৰি লৈ আহ।' তাৰমানে? এজন নহয় ! নিশ্চয় বহুজনীয়া ডকাইতৰ দল। নাই দৌৰাই ভাল হ'ব। চাইকেলখন লৈ সি উৰ্দ্ধশ্বাসে দৌৰিব ধৰিলে। 'এই দাউৰছে দাউৰছে, ৰহ চাল্লা (অশ্লীল) কত যাবি?' ধুপ ধুপ, ধাপ ধাপ.... সি মন কৰিলে বহুকেইজন ব্যক্তিয়ে দৌৰি দৌৰি ইতিমধ্যে তাৰ কাষ পাইছে, নাই... আৰু সি নোৱাৰে। ৰৈ গ'ল সি। ওঠ-মুখ শুকাই গৈছে। অজানিতে তাৰ হাতৰ পৰা 'ঝাৰাম' কৈ চাইকেলখন পৰি গ'ল। 'অ ভাইটি দেখু। এই আহিলি? চাইকেলখন কেনেকে পৰিল তে? তাৰ উত্তৰলৈ বাট নাচাই মানুহজনে গৰু এটা কোবাই কোবাই লৈ গ'ল। আৰে, এয়াচোন গাঁৱৰে গৰখীয়া ভূপেনকাই!! তাৰমানে ইমান পৰে.... ইহঁতে গৰুকেইটাকহে... !!! থুক্‌কৈ হাঁহি এটা উঠি গ'ল তাৰ। কিন্তু লগে লগেই তাৰ মুখখন পুনৰ আন্ধাৰ হৈ আহিল। এইবাৰ পিচে ভয়ত নহয়, লাজত কাৰণ সি দেখিলে তাৰ লংপেণ্টৰ ওপৰ ভাগ তিতি আছিল

☆☆☆

চুটিগল্প

# তুমি নিসংগ নহয়

✍ কুলদীপ বায়ন
স্নাতক ২য় বৰ্ষ (কলা)

মই আৰু মোৰ এই বিছনাখন। মোৰ চিৰসংগী এই বিছনাখন। যাৰ বুকুৰ মাজত আশ্ৰয় লৈ মই বিচাৰি পাওঁ অলপ শান্তি। মোৰ সকলো অৱস্থাতে এই বিচনাখনেই মোক প্ৰবোধ দি আহিছে। অৱশ্যে অভিনন্দন দিব পৰা সুবিধা বিছনাখনে আজিলৈ পোৱা নাই।

আজি কিছুদিনৰ পৰা বুকুৰ বিষটোৱে বৰকৈ আমনি কৰি আছে। বুকুৰ কোনোবা এটা অংশত কেতিয়াবা ইমান জোৰেৰে বিষায় যে মই উন্মাদ হৈ পৰো। অৱশ্যে বিষটো যথেষ্ট পুৰণি। জীয়াই থকাৰ তাড়ণাহে আজি বহুদিনৰ মূৰত কলমটো হাতত তুলি লৈছোঁ কিবা এটা লিখো বুলি। খিৰিকিখনেৰে বাহিৰলৈ চাই পঠিয়ালো। আবেলিৰ ৰঙা বেলিটো সিদিনা হঠাতে বিনীতাৰ কপালৰ ৰঙা ফোটটো যেন লাগিল। ধেৎ আকৌ বিনীতা। মোৰ নিজৰ ওপৰতে খং উঠি গ'ল। বিনীতাৰ লগত কটোৱা সেই বিশেষ সময়বোৰ স্মৃতিয়ে আহি মোক কেতিয়াবা বৰকৈ আমনি কৰে। বুকুৰ বিষটোও তেতিয়া বেছি হোৱা যেন লাগে। তাই শেষ চিঠিখনত লিখিছিল— 'মই পৰিস্থিতিৰ দাস, তুমি মোক ক্ষমা কৰিবা' ইত্যাদি। নাই কাৰো ওচৰত মোৰ কোনো অভিযোগ বা অভিমান নাই। সিদিনা ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছিলোঁ তাই যেন সুখী হয়।

মই, মোৰ সৰু ভাইটি অৰূপ, মা আৰু দেউতা? দেউতাক অৱশ্যে শেষবাৰ দেখিছিলোঁ এখন বগা কাপোৰৰ তলত শুই থকা অৱস্থাত। সেইদিনা আমাৰ মেট্ৰিকৰ ফলাফল ঘোষণা কৰাৰ দিন আছিল। মই ৰিজাল্ট লৈ আনন্দেৰে ঘৰমুৱা হৈছিলোঁ। পদূলিৰ পৰা দেখিলো আমাৰ ঘৰত বহুতো মানুহে ভিৰ কৰিছে। মানুহৰ ভিৰৰ মাজেৰে গৈ দেখিলো সেই দৃশ্যটো। মা ইতিমধ্যে অচেতন হৈছিল। ভাইটিয়ে দেউতাৰ ৰক্তাক্ত দেহাটি দেখি সাৱতি ধৰি বলিয়াৰ দৰে কান্দিছিল। ক'ত জানো কি হৈ গ'ল? মোৰ বুজি পাওঁতে সময় লাগিল। কোনোবাই কোৱা মোৰ কাণত পৰিছিল। 'মানুহজনৰতো তেনে কোনো শত্ৰু নাছিল, কোনে এই কাম কৰিলে? পিছত জানিব পাৰিছিলো যে ৰাস্তাত কোনো দুৰ্বৃত্তই দেউতাৰ ওপৰত গুলীবৰ্ষণ কৰি গুচি গৈছিল।

শেষত ভাইটিয়েহে মোক বেয়াকৈ প্ৰৱঞ্চনা কৰিলে। তাৰ সেই দুৰাৰোগ্য ৰোগটোৰ কথা কোনেও নজনাকৈ সি এদিন আমাৰ মাজৰ পৰা চিৰদিনৰ বাবে গুচি গৈছিল। সি স্বইচ্চাই নিজকে শেষ কৰিছিল। পিছত ডাক্তৰৰ পৰাহে তাৰ ব্যাধিৰ কথা জানিছিল। এই ঘটনাৰ পিছত মই সম্পূৰ্ণ মই হৈ থাকিলোনে ক'ব নোৱাৰিলোঁ। মা কিন্তু বলীয়া হ'বলৈহে বাকী থাকিল।

দুদিনমানৰ ভিতৰতে মাই বিপৰ্যয়ৰ পৰা হাত সৰাৰ সকলোবোৰ পদ্ধতি আয়ত্ব কৰি ল'লে। খোৱা-লোৱা নকৰা ৰাতি উজাগৰে থকা আদি। মই বহুতো বুজাই-বঢ়াই মাৰ চকুলৈ টোপনি আনিব নোৱাৰিলো। এদিন মা চিৰদিনৰ বাবে শুলে। এতিয়া মানুহবোৰে সম্মুখেৰে গলে মোৰ ঘৰটোৰ ফালে চাবলৈ ভয় কৰে। ঘৰটো হেনো অভিশপ্ত।

এতিয়া কোনো নাই, চাৰিওফালে কেৱল মই, নহয় এজন বন্ধু আছে মোৰ। মোৰ সেই চিৰসংগী বিছনাখন। যাৰ বুকুৰ মাজত অলপ শান্তি বিচাৰি পাওঁ। আৰু এদিন হয়তো সেই বিছনাখনৰ মাজতেই মই চিৰশান্তিৰে শুই পৰিম। মই লাহে লাহে বিছনাখনৰ পিনে আগবাঢ়িছিলোঁ। চিৰদিনৰ বাবে শুবলৈ নহয়। এনেয়ে অলপ বিশ্ৰাম ল'বৰ বাবে। বিছনাখনৰ ওপৰতেই গোটেই দেহটো এৰি দিলোঁ আৰু বিছনাখনক সাৱতি ধৰিলোঁ। কোনোবাই যেন মোৰ কাণৰ ওপৰত মৃদু শব্দেৰে ক'লে— 'তুমি নিসংগ নহয় বন্ধু, মই চিৰদিন তোমাৰ গাতে লাগি থাকিম, তোমাৰ সুখৰ নহলেও দুখৰ সমভাগী হ'ম। মই মূৰটো ডাঙি ইফালে-সিফালে চালোঁ, নাই ওচৰত কোনো নাই। মই নিশ্চিত হ'লো যে সেয়া বিছনাখনৰ শব্দ। ☆☆☆

# ভগ্নদূত

জোনালী মৈত্ৰী
স্নাতক ২য় বৰ্ষ (কলা)

দু দিনমান আগত পোছাকযোৰেৰে তাক কিছু জধলা দেখা গৈছিল। বহুতেই কয় সি হেনো কিছু অহংকাৰীও। বোধহয় তাৰ জধলা পোছাকৰ আঁৰত লুকাই থাকে তাৰ মইমতীয়া স্বভাৱটো। স্বাভাৱিকতে সি চুলিকেইডাল কিছু দীঘলকৈ ৰাখে। নতুনকৈ চিকুণাই লোৱালেকে প্ৰয়োজনতকৈ বহু দীঘল হৈ যায়। কোনোবাই তাক তাৰ চুলিকেইডালৰ বিষয়ে সুধিলে কয়– 'হেঁ যাব। দুদিন পাছত কাটিম।'

তাৰ নাম 'বাবা'। সকলোৱে 'বাবা' বুলিয়েই মাতে। দেখাত কিছু জধলা যেন লাগিলেও তাৰ কথা কোৱাৰ ষ্টাইলটো ঠিক আধুনিক বুলি ক'ব পাৰি। খোজকাঢ়ি আহিলে আঙুলিবোৰ ফুটাইহে খোজকাঢ়ি ভাল পায় সি। তাৰ চিনাকি কোনোবা কথোপকথনত ব্যস্ত থাকিলে সি গৈ ওচৰত থিয় হ'ব আৰু সি যদি মুখ খোলে উচ্চাৰণত কিছুমান বিশেষ ভংগী কৰিব। দেখিলে এনে ভাব হয় সি যেন সেই ভংগীবোৰ কোনোবা আৰ্টিষ্টৰ পৰাহে শিকি লৈছে। সেই সময়খিনিত তাৰ চকু কেইটা তিৰবিৰাই থাকে।

বাবা দেখাত কিছু জধলা হ'লেও তাৰ ব'ডি লেংগুৱেজ খুব ভাল। কপালখনো বহু ডাঙৰ। কেশৰৰ দৰে কিছুমান দীঘল চুলি আহি তাৰ কপালখন একেবাৰে ঢাকি পেলায় আৰু এনেকুৱা হয় সি কিছু ওখ মানুহৰ লগত কথা পাতিব লাগিলে প্ৰথমে ভ্ৰুকুটি ডাঙে আৰু আকাশলৈ চায় কিবা কিবি ভাৱে। তাৰ হাতখন আৰু আঙুলিবোৰো দীঘল ওঁঠজুৰি সদায় ৰঙা পৰি থাকে আৰু চকুকেইটা ডাঙৰ, ভ্ৰুকুটি বিশাল।

ডেকা ল'ৰাবোৰৰ এই 'বাবা' নামটোক লৈ বৰ (জমনি) স্ফূৰ্ত্তি। পুলকৰ লগৰ নিজু, ৰবীন, বিনয়হঁতে বাবাৰ লগত বৰ ধেমালি কৰে। যিটো চাৰিআলিৰ ষ্টেচনত সিহঁতে আড্ডা দিয়ে, পূবফাললৈ গৈ, আকৌ সোঁফালে ঘূৰি পাণদোকান এখনৰ ওচৰত যিটো পৰিতক্ত গুমটি আছে তাৰ ঠিক পাচফালে সিহঁতৰ আড্ডাটো জমে। আবেলি চাৰি বজাৰ লগে লগে সেই বেঞ্চখনত সি সদায়ে বহি থাকে। ৰাতিপুৱা আঠ দহটাৰ ভিতৰত তাক দেখা যায় সেই একেখন বেঞ্চত।

বাবাৰ আগত যদি কোনোবাই কেপিটেলিষ্টৰ কথা পাতে, নাকটো কোঁচায় দিয়ে সি। তাৰ কথাৰ পৰা স্পষ্টকৈ বুজা যায় সি কেপিটেলিষ্টক ঘিণ কৰে। কমিউনিষ্টৰ কথা পাতিলে সি মুখেৰে একো নামাতে মাত্ৰ হাত দুখন পেণ্টৰ জেপত সোমাই জোৰেৰে খামুচি ধৰা যেন লাগে। চেগুৱেৰ জোঙা আগটোৰে মাটিত কিবা আক-বাক কৰে। চ'ছিয়েলিষ্টৰ কথা পাতিলে তাৰ ওঁঠেৰে বিজুলী চমকনিৰ সৃষ্টি হয়। তাৰ দাঁত কেইটাৰ গঠন আৰু আকাৰ ভাল নহয় বাবে কাচিৎহে মুখ খুলি হাঁহে আৰু হাত দুখন বিশেষ কায়দাৰে ওপৰলৈ ডাঙি বহলকৈ মেলি দিয়ে।

এদিন বাবাই ঘোষণা কৰিলে যে সি বিনয়হঁতক এটা পাৰ্টি দিব। সিহঁতকেইটাই একেমুখে কৌতূহলেৰে প্ৰশ্ন কৰিলে 'বাবা', তই আমাক কি পাৰ্টি দিবি?'

বাবাক হঠাৎ থতমত খোৱা যেন লাগিল। হয়তো সি নিজেও ভবা নাছিল কি পাৰ্টি দিব। সি কিছু গহিনাই উত্তৰ দিলে– 'অহাকালি গ্ৰীণলেণ্ডত।' কথাখিনি কৈ সি সিহঁতৰ কাষেৰে পাৰ হৈ গ'ল।

পুলকে প্ৰশ্ন কৰিব খুজিও ৰৈ গ'ল। বিনয়ে তাক ইঙ্গিত এটা দিলে। সিহঁতে তাৰ স্বভাৱটো জানে। আজি কিবা এটা কৈ কাইলৈ সম্পূৰ্ণ পাহৰি যায় সি। তাৰ খং উঠিলে কোন মুহূৰ্ত্তত টেঁটু চেঁপি ধৰিব একো ঠিক নাই। তাতে সেইদিনা তাৰ মেজাজ সিহঁতে ভাল দেখা নাই। চকুকেইটাও কিছু ৰঙা পৰিছে। 'বিনয়।" পুলকে চকুকেইটা ডাঙৰকৈ মেলি সুধিলে– 'তই জাননে বাৰু সি এতিয়া ক'লৈ যাব?

'বোধহয় সি ঘৰলৈকে যাব।' বিনয়ে চিন্তা কৰি ক'লে– 'শুনিছো সি হেনো বৰশী বায় খুব ভাল পায়।'

'কিন্তু এতিয়াতো বৰশী বোৱাৰ সময় নহয়।"

'অ এতিয়াতো পানী শুকাই সকলোতে তলি উদং। পাছফালৰ নিজুই আচৰিত হৈ ক'লে।

'বাবাৰ সেইটোতে সমস্যা।' বিনয়ে ক'লে– 'সিহঁতৰ বাৰীৰ পিছফালৰ পুখুৰীটোত যদি পানী নাই, সি সিহঁতৰ কুৱাত বৰশী বাব।"

বিনয়ৰ কথাত আটাইকেইটাই অট্টহাস্য কৰি উঠিল। কথাটো ঠিক মিচা নহবও পাৰে। এনে হ'ব পাৰে যে সিহঁতৰ কুৱাত বহুত মাছ দিয়া হৈছে।

এদিন আবেলি সময়ত বাবাক সেই একেখন বেঞ্চত দেখা গ'ল। তাৰ সোঁহাত শুৱনি কৰিছে এটা দীঘল পাইপে। সি হেনো নতুনকৈ পাইপ হুপিবলৈ শিকিছে। পাইপটো হুপি ধোৱাবোৰ একাগ্ৰচিত্তে ফুমাৰি ওপৰলৈ উৰাই দিছে। তাক নতুন ভংগীত দেখি কেইজনমানে আগুৰি ধৰি প্ৰশ্ন কৰিছে। এটা বিশেষ কৌশলেৰে ধোৱাবোৰ ফুমাৰি সি কৈ গৈছে ধোৱা উৰোৱা আমেজটো হেনো তাৰ বৰ 'ইনটাৰেষ্টিং।'

পুলকৰ সেইকাৰণেই ভাল লাগে। বাবাই খুব সুন্দৰকৈ কিছুমান ইংৰাজী শব্দ উচ্চাৰণ কৰে, যিবোৰ ষ্টেচনত বাছৰ বাবে ৰৈ থকা ভদ্ৰলোক মণ্ডলীৰ কথোপকথনৰ পৰা শুনি শুনি সি অভ্যস্ত হৈ গৈছে।

বাবাই এটা ধুনীয়া হাতঘড়ী পিন্ধে। যেনে ধৰা হওক কোনোবাই তাক সুধিলে 'কেইটা বাজিল'? সেই সময়খিনিত হয়তো তাৰ ঘড়ীত দুই বা তিনি বাজিব। সি ক'ব 'টু অ' ক্লক' অথবা 'থ্ৰি অ' ক্লক'।

বাবাৰ অভিনয় দক্ষতাও আছে। সেইটোক লৈ তাৰ বৰ অহংকাৰ। কেতিয়াবা তাৰ আগত উপস্থিত থকাসকলৰ কোনোবাজনৰ গালত ঠাচকৈ কাণতলীয়া চৰ এটা পৰিব যদিও তাক লৈ কোনেও মূৰ নঘমায়। কিয়নো সি ক'ব সেয়া হেনো সৰুতে চোৱা নাটক এখনৰ ডায়লগ। য'ত নায়িকাই নায়কক এটা চৰ মাৰিব লাগে। তাকে বুজাবলৈ যাওঁতে কিছুমান অংগী-ভংগী কৰিব আৰু মুখেৰে কিবা কিবি ক'ব। উপস্থিত থকাসকলৰ বাবে সেয়া হৈ পৰে এটা এমেজিং মুমেণ্ট।

সেইবোৰ বাবাৰ ব্যক্তিগত কথা। সেইবোৰ কোনখন নাটকৰ, কোনটো খণ্ডৰ, কোনেও মূৰ নঘমায়। কিন্তু বাবাৰ এটা কথাত সাংঘাতিক ব্যতিক্ৰম। 'হেমলেট' নাটকৰ বহুকেইটা ডায়লগ তাৰ কণ্ঠস্থ। সি কয়, সি হেনো সিহঁতৰ গাঁৱত দেখুওৱা যাত্ৰাপাৰ্টি 'হেমলেট' নাটকখনৰ পৰা সেইবোৰ শিকি লৈছে।

'বা কি ষ্ট্ৰং একটিং'। পুলকে সিহঁতৰ গ্ৰুপটোত তাৰ অভিব্যক্তি প্ৰকাশ কৰি কয়।

কেতিয়াবা এনেকুৱা হয় ওচৰৰ প্ৰাইমাৰী স্কুলৰ ল'ৰা-ছোৱালীবোৰ তাৰ ওচৰত জুম বান্ধে। সিহঁতৰ প্ৰায়বোৰ ভেবা লাগি চাই থাকে। সিও কালৈকে ভ্ৰুক্ষেপ নকৰি একটিং কৰি থাকে। কেইজনমানে প্ৰশংসাসূচক বাক্যবান মাৰে 'বাঃ বঢ়িয়া হৈছে।

সঁচা কথা ক'বলৈ হ'লে সেয়াই তাৰ ব্যক্তিত্ব। কেকোঁৰা কেকুৰি চুলি কেইডালেৰে তাৰ নিটোপল চেহেৰাটো, সঁচা হেমলেটৰ নায়ক যেনেই লাগে।

এদিনাখন বাবাক এজনে ঠাট্টাৰ চলেৰে ক'লে– 'বাবা' তই ধুনীয়া নাটক কৰিব জান। তোক দেখিলে চিনেমাৰ হিৰো যেনেই লাগে।' এনেকুৱা কথাবোৰক লৈয়ে বুকুখন ফুলি থাকে তাৰ। ভাৱ হয় ঠাট্টা-মস্কৰা এইবোৰ একো নুবুজে সি। কথাটো হৈছে বাবাক ঠাট্টা কৰিবলৈ একো নাই। সি যিমান ধুনীয়া একটিং কৰে নেদেখিলে বিশ্বাস কৰাটো একেবাৰে অসম্ভৱ। মুঠৰ ওপৰত অভিনয়ত তাৰ এটা সুকীয়া পাৰছ'নেলিটি আছে। তাক সেইটোৰ ৰহস্য কি বুলি সুধিলে উৎফুল্লিত হৈ সি কয় যে মজাৰ কথাটো হৈছে ভগৱান তাৰ 'একটিভ পইণ্ট'।

এইবোৰ কাৰণতেই তাক অস্বীকাৰ কৰা নাযায়, ঠাট্টা কৰিব নোৱাৰি আৰু অহংকাৰী আখ্যাও দিয়া নাযায়। কিন্তু বহু সময়ত এনেকুৱা হয় তাক যদি সোধা হয় যে কোনজন কেপিটেলিষ্টক সি ঘিণ কৰে। ফৎকৰে সি একো উত্তৰ নিদিয়ে। সি ক'ব যে ৰাতিপুৱা যিগৰাকী মাছ বেপাৰীয়ে

সিহঁতক সদায় মাছ দিয়ে সেইজনক সি খুব এটা ভাল নাপায়। যদিহে কাৰে মাছ এক কিলোৰ দাম দহ টকা হয়, বিশ টকা নিদিয়ালৈকে সি সিহঁতৰ চোতাল এৰিব নোখোজে। অন্যই যদি দহ টকাত দিয়ে, সি বিশ টকা নিহে এৰিব। বাবাই কয় সেইজন হেনো 'ডেনজাৰাছ'ভাৱে বেপৰোৱা কেপিটেলিষ্ট।

এনেবোৰ কথাক লৈয়ে পুলক, বিনয় নিজুহঁতে হাঁহি হাঁহি বাগৰি পৰে। 'পুলক' বিনয়ে হাঁহি হাঁহি সোধে– "এই মাছ বেপাৰীজনক জানো কেপিটেলিষ্ট বুলি ক'ব পাৰি?'

অ'তো মাছ বেপাৰীজনো সময়ত কেপিটেলিষ্ট হ'ব পাৰে।'

'কিন্তু মই হ'লে মাছ বেপাৰীক কেপিটেলিষ্ট বুলি কোৱা কাহানিও শুনা নাই।'

'এনেকুৱা হ'ব পাৰে যে সেইজন এজন ছদ্মবেশী কেপিটেলিষ্ট'

আকৌ সিহঁতৰ গ্ৰুপটো হাঁহিত ফাটি পৰে। কথাটো শুনি সকলোৱে ভাৱে যে বাবাৰ কথাটো মিছা নহবও পাৰে। সঁচা। সকলোৱে কেপিটেলিষ্ট হ'ব পাৰে। এখন সমাজত নহলেও অন্ততঃ এটা পৰিয়ালত হ'ব পাৰে।

আচলতে বাবাৰ কথাটো এনেকুৱাও হ'ব পাৰে যে সি প্ৰকৃতাৰ্থত কোনো কেপিটেলিষ্টৰ নামেহে নাজানে। তথাপিও কথাবোৰ আত্মবিশ্বাসেৰে সজায়-পৰায় কয় সি আৰু সকলোৱে তাৰ কথা মনোযোগেৰে শুনি থকা কাৰ্য্যটো দেখি আত্মসন্তুষ্টিত গদগদ হৈ পৰে।

বহুদিন হ'ল বাবাৰ দেখাদেখি নাই। সেই বেঞ্চখন থকা ঠাইখিনি প্ৰায়ে নিজম হৈ পৰি থাকে। বাবা দুদিনমান নোহোৱা হোৱাৰ পাছত বহুতেই তাৰ বিচাৰ লৈছিল। কিন্তু সময় আগুৱাই যোৱাৰ লগে লগে পুলক, বিনয়হঁতে তাৰ কথা ভাবিবলৈ বাদ দিলে। কেতিয়াবা সিহঁতৰ গ্ৰুপটো বাবাৰ অন্তৰ্ধান হোৱা কথাটোৱে গৰম কৰি ৰাখে। পুলকে ব্যংগ কৰি লগৰকেইটাক কয়– 'বাবাই যে কৈছিল সি হেনো এদিন চিনেমাৰ গ্লেমাৰছ্ জগতখনত সোমাবই আৰু তাৰ অভিনয় দক্ষতাৰে আমাক ত্ৰাসিত কৰিব। বোধহয় তাৰ কথাটোৱে সঁচা হ'ব।"

'ওহো।' নিজুই ক'লে। 'সি হয়তো ওফেলিয়াক লগ কৰিবলৈ গৈছে। চাই থাক। এদিন নহয় এদিন সি আহিবই।'

এদিন গধূলি বাবাক সেই বেঞ্চখনত দেখা গ'ল। কথাটো বন জুইৰ দৰে নিমিষতে বিয়পি পৰিল। তাক আগুৰি ধৰি বহুতেই প্ৰশ্ন কৰিব ধৰিলে। সিও যথাযথ উত্তৰ দি গ'ল। বাবাক দেখা সকলৰ আটাইৰে এইবাৰ আচৰিত হোৱাৰ পাল। কিয়নো বাবা আগৰ সেই বাবাজন হৈ থকা নাছিল। সি তাৰ চুলিকেইডাল ধুনীয়াকৈ চিকুনাই লৈছিল। গাত এটা আঠপুৰণা যেন কোট পিন্ধিছে আৰু টাই এডাল ধুনীয়াকৈ বান্ধি লৈছে। বাবাক এইবাৰ বেছ সপ্ৰতিভ যেন লাগিল।

কেইদিনমান পাছত এখন মুকলি পথাৰত হাতুৰি-বাতুলি, দা-কটাৰী সহ বাবাক দেখা পোৱা গ'ল। গোটেই দিনটো সি তাত কাম কৰে। ৰাতিপুৱা-গধূলি কেতিয়াবাহে তাক সেই বেঞ্চখনত বহি থকা দেখা যায়। বাবাক চাবলৈ সেই ঠাইখনলৈ বহুত মানুহৰ সোঁত বৰলৈ ধৰিলে। বাবা কিন্তু নাচোৰবান্দা। কোনোবাই কিবা সুধিলে মুখেৰে একো নামাতে। আনৰ মুখলৈ চাবলৈ যেন তাৰ সময়ৰ অভাৱ।

এদিনাখন সন্ধিয়া সময়ত পুলক আৰু বিনয় সেই ঠাইখিনি পালে। সিহঁতে দেখিলে ক্ষীণ মমবাতিৰ পোহৰত বাবাই এখন হাতত হাতুৰী আৰু আনখন হাতত পাইপ এটা লৈ একান্তমনে হুপি আছে। বাবাই সিহঁতৰ ফালে মূৰ তুলি চালে আৰু পুনৰ পাইপ হুপিবলৈ আৰম্ভ কৰিলে। পুলকে দেখিলে বাবাক আজি বেছ চিন্তাক্লিষ্ট যেন দেখা গৈছে। এইবাৰ বাবাই সিহঁতৰফালে মুখ ঘূৰালে। বিনয়ে সুধিলে-- 'বাবা তই এইবোৰ কি কৰিছ?'

বিনয়ৰ প্ৰশ্নত তাৰ কোনো প্ৰতিক্ৰিয়া নহ'ল। এইবাৰ সি মাটিৰ পৰা বাতুলিটো দাঙি ল'লে আৰু সিহঁত দুয়োকো দেখুৱাই ক'লে– 'তহঁতে এইটো কি দেখিছা নহয়। দুদিন পিছত এইটোৰে মই জগত জিনিম।

'জগত জিনিবি?' পুলকে বেছ কৌতূহলেৰে সুধিলে।

'বুজা নাই? মই বিশ্ববিখ্যাত হ'ম।'

'কিন্তু কেনেকৈ?' বিনয়ে আচাৰ্য্য প্ৰকাশ কৰি সুধিলে। পুলকে দেখিলে তাৰ ওচৰত থকা বাঁহ-বেতেৰে

সি কিবা এটা কৰিব বিচাৰিছে। সি আৰু স্পষ্টকৈ দেখিলে যে দীঘল দীঘল ৰুলমাৰি যেন লগা বাঁহ-বেতৰ সংযোগী বস্তু কেইপদৰ ওপৰত ভঙা টিং, লো আৰু কাঠ কিছুমান পৰি আছে। এইকেইপদ বস্তুৰে একো একোটা খৰাহি বা বেতৰ চকী এখন সজাব পাৰি। টিনপাট কেইচটাৰে সৰু বস্তু থবলৈ বাকচ এটা বনাব পাৰি। কিন্তু এই যে লোৰ টুকুৰা কেইটা পৰি আছে, কমাৰৰ বাহিৰে তাৰ পৰা জানো কোনোবাই দাঁ-কটাৰী বনাব পাৰিব। পুলকে ভাবিলে।

'আস ঃ এনেকৈ জানো কোনোবাই বিশ্ববিখ্যাত হ'ব পাৰে? নিজকে প্ৰশ্ন কৰিলে সি।

সিহঁত দুয়োকো আচৰিত কৰি বাবাই কৈ উঠিল— 'মই এটা বিদ্যুৎচালিত যন্ত্ৰমানৱ সাজিম।"

পুলক আৰু বিনয় দুয়ো ডাঙৰকৈ চকু মেলি সমস্বৰে কৈ উঠিল— যন্ত্ৰমানৱ। মানে 'ৰবট'।

'অ মই বাঁহ-বেতেৰে যন্ত্ৰমানৱ সাজিম।' কথাখিনি কওঁতে তাৰ চকু দুটা জিলিকি উঠিল।

"কিন্তু এনেকৈ বিদ্যুৎচালিত যন্ত্ৰমানৱ সাজিব নোৱাৰি।" বিনয়ে ক'লে- " এই কাম অসম্ভৱ।"

"মুঠেও নহয়। মই সম্ভৱ কৰি দেখুৱাম।' সি ক'লে। 'ষ্ট্ৰং ডেডিকেটেড মাইণ্ড।' পুলকে ভাবিলে— 'আচৰিত এই মানুহ প্ৰজাতি।'

এদিন ৰবিনে আহি (সিহঁতক) পুলক, বিনয়হঁতক ক'লে— কাইলৈ হেনো বাবাই ৰাজহুৱাভাৱে তাৰ বিদ্যুৎচালিত যন্ত্ৰমানৱ দেখুৱাব। কথাটোৱে তাৰ মানুহখিনিক আচৰিত কৰি তুলিলে। পুলকে উৎকণ্ঠিত হৈ সুধিলে— 'তাৰমানে বাবাৰ কাম শেষ?"

নাই হোৱা। ৰবিনে ক'লে— শুনিছোঁ কেইদিনমানৰ পৰা হেনো সি শ্মশানত মৃত মানুহৰ লাওখোলা বিচাৰিছে। দোভাগ ৰাতি মানুহৰ লাওখোলা বিচাৰি ফুৰিছে।

মৃত মানুহৰ লাওখোলা। সেয়া দোভাগ ৰাতি! বিনয় শিয়ৰি উঠিল।

মৃত মানুহৰ লাওখোলা! ৰবটৰ লগত কি সম্পৰ্ক। পুলকে ভাবিলে।

আটায়ে প্ৰত্যাশিত দিনটোলৈ আগ্ৰহেৰে বাট চাই ৰ'ল। সকলোৱে বাবাৰ বিদ্যুৎচালিত যন্ত্ৰমানৱটোৰ বিষয়ে আলোচনা কৰিছে। সেই দিনটোতে বাবাৰ এক আচহুৱা বেশত দেখা গ'ল। উদং গাৰে চুটি পেণ্ট এটা পিন্ধি উন্মাদৰ দৰে ইফালৰ পৰা সিফালে ঘূৰিছে সি। সকলোৱে তাক ঘূৰি ঘূৰি চাইছে। এনেতে দেখা গ'ল বাবাই এখন দোকানলৈ উপলক্ষ কৰি ৰাস্তাৰ দাঁতিত থকা শিলৰ দমটোৰ পৰা শিল দলিয়াইছে।

ঘটনাটো আছিল এনেধৰণৰ— যন্ত্ৰমানৱটো পূৰ্ণাঙ্গৰূপত দেখুৱাবলৈ যেতিয়া সি লাওখোলা বিচাৰি নাপালে, তাক এটা খালী টিনৰ বাকচৰ প্ৰয়োজন হ'ল। তেতিয়া সি এখন দোকানলৈ গৈ ৰঙৰ টিং এটা বলপূৰ্বক ডাঙি অনাৰ চেষ্টাত ব্যৰ্থ হ'ল। ফলস্বৰূপে সি খঙত শিল দলিয়াবলৈ আৰম্ভ কৰি দিলে। তাক সেই কাৰ্য্যত বাধা দিবলৈ কোনেও সাহস নকৰিলে। এটা সময়ত কনিষ্টবল কেইজনমানে আহি গাড়ীত উঠাই তাক লৈ গ'ল। ☆☆☆

# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

মহাবিদ্যালয়ৰ মান-মৰ্যদা নিৰ্ভৰ কৰে বিদ্যাৰ্থীৰ চাল-চলন, আৰচণ, মাত-কথা, নিয়মানুবৰ্তিতাৰ ওপৰত। সেয়েহে এই কেইটা দিশ মনত ৰাখি চলিবলৈ অনুৰোধ জনাইছোঁ।

প্ৰতিবেদনৰ প্ৰাক্ মুহূৰ্তত শত শ্বহীদলৈ জনাইছোঁ সশ্ৰদ্ধ প্ৰণাম, যিসকলে দেশ মাতৃৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত আত্মহুতি দি গ'ল। লগতে মই আন্তৰিক অভিনন্দন জনাইছোঁ সেই সকল ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীলৈ যি সকলে মোক সাধাৰণ সম্পাদকৰ পদত নিৰ্বাচিত কৰিলে। সাধাৰণ সম্পাদকৰ প্ৰথম কাৰ্য্যসুচী আছিল 'মহাবিদ্যালয় সপ্তাহ' অনুষ্ঠিত কৰা। মহাবিদ্যালয় সপ্তাহত বিভিন্ন গীত-মাত, খেল-ধেমালি, সাহিত্য প্ৰতিযোগিতা, তৰ্ক আৰু আলোচনা প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়।

অইন বছৰৰ দৰে এই বেলিও আমাৰ মহাবিদ্যালয়ৰ পৰা গুৱাহাটী বিশ্ববিদ্যালয়ৰ আন্তঃমহাবিদ্যালয়ৰ যুৱ-মহোৎসৱত অংশ গ্ৰহণ কৰি আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে বিশেষ সাফল্য কঢ়িয়াই আনে। এই সুযোগতে সমূহ প্ৰতিযোগীক সাংস্কৃতিক সম্পাদক আৰু তত্বাৱধায়ক শ্ৰদ্ধাৰ তপন দত্তদেৱ ছাৰলৈ আন্তৰিক অভিনন্দন জনাইছোঁ।

আন আন বছৰৰ দৰে এই বছৰো মহাবিদ্যালয়ত সৰস্বতী পূজা, বিশ্বকৰ্মা পূজা অনুষ্ঠিত কৰা হয়। এইবেলি সৰস্বতী পূজাত বহু সংখ্যক ছাত্ৰ-ছাত্ৰী, অধ্যাপক-অধ্যাপিকা আৰু নিমন্ত্ৰীত অতিথি সকলে অংশ গ্ৰহণ কৰে।

প্ৰতি বছৰে অনুষ্ঠিত কৰি অহাৰ দৰে এই বেলিও মহাবিদ্যালয়ৰ নৱাগত আদৰণী সভাখন ২২/৮/০৩ ইং তাৰিখে ছাত্ৰ একতা সভাৰ উদ্যোগত উলহ - মালহেৰে আয়োজন কৰা হয়।

মোৰ কাৰ্য্যকালৰ শেষৰ কাৰ্য্যসূচী আছিল আমাৰ মহাবিদ্যালয়ত অনুষ্ঠিত কৰা আন্তঃজিলা কুইজ প্ৰতিযোগিতা।

হে সতীৰ্থবৃন্দ ! মহাবিদ্যালয়ৰ মান-মৰ্যদা নিৰ্ভৰ কৰে বিদ্যাৰ্থীৰ চাল-চলন, আৰচণ, মাত-কথা, নিয়মানুবৰ্তিতাৰ ওপৰত। সেয়েহে এই কেইটা দিশ মনত ৰাখি চলিবলৈ অনুৰোধ জনাইছোঁ।

প্ৰতিবেদনৰ সামৰণিত মোৰ অজানিতে হৈ যোৱা ভুল-ত্ৰুটিৰ বাবে সমূহ শ্ৰদ্ধাৰ শিক্ষাগুৰু, সতীৰ্থ আৰু কৰ্মীবৃন্দৰ ওচৰত মই ক্ষমা বিচাৰিছোঁ।

শেষত মোৰ কাৰ্য্যকালছোৱাত মোক প্ৰত্যেক কাৰ্য্যসূচীতে সহায় -সহযোগ আগবঢ়োৱা আমাৰ তত্ত্বাৱধায়ক, অধ্যক্ষ মহোদয়, ছাত্ৰ-ছাত্ৰী বৃন্দ, ছাত্ৰ একতা সভাৰ সমূহ সদস্য আৰু মহাবিদ্যালয়ৰ সমূহ কৰ্মচাৰীবৃন্দলৈ মোৰ হিয়াভৰা আন্তৰিক অভিনন্দন জনাই মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

"জয়তু জৱাহৰলাল নেহৰু মহাবিদ্যালয়"

ধন্যবাদেৰে–

শ্ৰীনৰজ্যোতি ৰাভা

সাধাৰণ সম্পাদক

ছাত্ৰ একতা সভা (২০০২-০৩)

জৱাহৰলাল নেহৰু মহাবিদ্যালয়

# সহঃ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

যিসকল মহান ব্যক্তিয়ে এক মহৎ উদ্দেশ্য আগত ৰাখি বকোৰ নিচিনা পিছপৰা অঞ্চলতআমাক শিক্ষা দিয়াৰ বাবে "জৱাহৰলাল নেহৰু মহাবিদ্যালয়" নামৰ এই বৃহৎ শিক্ষানুষ্ঠানৰ জন্ম দিলে সেই শিক্ষানুৰাগী ব্যক্তি সকলৰ ওচৰত মই মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদন কৰিছোঁ।

*জয়জয়তে জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ ২০০২-২০০৩ ইং বৰ্ষৰ ছাত্ৰ একতা সভাৰ সহঃ সাধাৰণ সম্পাদক ৰূপে মোক নিৰ্বাচিত কৰাৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীলৈ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।*

*আমি কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পিছতে প্ৰথম অনুষ্ঠান 'বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ' আৰম্ভ হয়। মহাবিদ্যালয় সপ্তাহৰ বিভিন্ন কাৰ্য্যসূচী সুচাৰু ৰূপে পৰিচালনা কৰা হয়।*

*অইন বেলিৰ দৰে এই বেলিও আমাৰ কাৰ্য্যকালছোৱাত সৰস্বতী পূজা, বিশ্বকৰ্মা পূজা, নৱাগত আদৰণী সভা উদ্‌যাপন কৰা হয়। এই চেগতে জাতীয় অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত প্ৰাণ আহুতি দিয়া মহান বীৰ শ্বহীদ সকললৈ মোৰ হিয়াভৰা শ্ৰদ্ধাঞ্জলি যাচিছোঁ। লগতে যিসকল মহান ব্যক্তিয়ে এক মহৎ উদ্দেশ্য আগত ৰাখি বকোৰ নিচিনা পিছপৰা অঞ্চলত আমাক শিক্ষা দিয়াৰ বাবে "জৱাহৰলাল নেহৰু মহাবিদ্যালয়" নামৰ এই বৃহৎ শিক্ষানুষ্ঠানৰ জন্ম দিলে সেই শিক্ষানুৰাগী ব্যক্তি সকলৰ ওচৰত মই মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদন কৰিছোঁ। প্ৰতিবেদনৰ অন্তত আমাৰ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীলৈ অনুৰোধ যেন তেওঁলোকে মহাবিদ্যালয়তএটা সুস্থ আৰু শৈক্ষিক পৰিবেশ গঢ়ি তুলি মহাবিদ্যালয়ৰ গৌৰৱ তথা সুনাম অক্ষুন্ন ৰাখে। শেষত মোৰ কাৰ্য্যকালত কৰা জ্ঞাত অজ্ঞাত ভুল-ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰি মোৰ প্ৰতিবেদন সামৰণি মাৰিলো।*

"জয় আই অসম"

"জয়তু জৱাহৰলাল নেহৰু মহাবিদ্যালয়"

ধন্যবাদেৰে—

শ্ৰীনিৰুপম ৰয়

সহঃ সাধাৰণ সম্পাদক

ছাত্ৰ একতা সভা ২০০২-০৩

জৱাহৰলাল নেহৰু মহাবিদ্যালয়,

# সাংস্কৃতিক সম্পাদকৰ প্ৰতিবেদন

মোৰ কাৰ্য্যকালত গুৱাহাটী বিশ্ববিদ্যালয়ত অনুষ্ঠিত হোৱা আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱত আমাৰ মহাবিদ্যালয়ৰ পৰা অংশ গ্ৰহণ কৰা প্ৰতিযোগীসকলে সাংস্কৃতিক শোভা-যাত্ৰাত প্ৰথম স্থান অধিকাৰ কৰি মহাবিদ্যালয়ৰ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হয়।

প্ৰতিবেদনৰ আৰম্ভণিতে জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ সাধাৰণ নিৰ্বাচনত বিপুল ভোটত জয়ী কৰি সাংস্কৃতিক সম্পাদকৰ দায়িত্ব প্ৰদান কৰা ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী সকললৈ মোৰ কৃতজ্ঞতা জনাইছোঁ। লগতে মোৰ সন্মানীয় শিক্ষাগুৰু আৰু মহাবিদ্যালয়ৰ সমূহ কৰ্মচাৰী বৃন্দলৈ মোৰ সহস্ৰ প্ৰণাম যাচি শ্ৰদ্ধাৰে সুঁৱৰিছোঁ।

মোৰ কাৰ্যকালৰ প্ৰথম কাৰ্য্যসূচী আছিল ৩১/২/০২ ইং তাৰিখৰ পৰা ০৬/০১/০৩ ইং তাৰিখলৈ অনুষ্ঠিত কৰা মহাবিদ্যালয় সপ্তাহ। এই মহাবিদ্যালয় সপ্তাহত সাংস্কৃতিক বিভাগৰ তৰফৰ পৰা আয়োজন কৰা বিভিন্ন ধৰণৰ প্ৰতিযোগিতা সমূহ বিশেষ আকৰ্ষণীয় আছিল। এই প্ৰতিযোগিতা সমূহত অংশ গ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰীৰ উৎসাহ দেখি সঁচাকৈয়ে মই আনন্দিত হৈছোঁ আৰু আশা ৰাখিছোঁ অনাগত দিনবোৰত মহাবিদ্যালয়ৰ বিভিন্ন প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি প্ৰতিযোগিতাসমূহ যেন সুচাৰুৰূপে চলাই নিয়াত সহায়-সহযোগিতা আগবঢ়াব। সাংস্কৃতিক বিভাগৰ দ্বাৰা অনুষ্ঠিত কৰা বিভিন্ন ধৰণৰ প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি শ্ৰেষ্ঠত্ব অৰ্জন কৰা প্ৰতিযোগী আৰু লগতে সমূহ অংশগ্ৰহণকাৰীলৈ মোৰ আন্তৰিক শুভেচ্ছা যাচিলোঁ। সাংস্কৃতিক বিভাগৰ বিভিন্ন প্ৰতিযোগিতাসমূহ সুচাৰুৰূপে চলাই নিয়াত সহায় কৰা বিচাৰক মণ্ডলীলৈ প্ৰতিবেদনৰ জৰিয়তে ধন্যবাদ যাচিলোঁ।

মোৰ কাৰ্যকালত গুৱাহাটী বিশ্ববিদ্যালয়ত অনুষ্ঠিত হোৱা আন্তঃমহাবিদ্যালয় যুৱ-মহোৎসৱত আমাৰ মহাবিদ্যালয়ৰ পৰা অংশ গ্ৰহণ কৰা প্ৰতিযোগীসকলে সাংস্কৃতিক শোভা-যাত্ৰাত প্ৰথম স্থান অধিকাৰ কৰি মহাবিদ্যালয়ৰ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হয়। সংগীতত বুলুমণি ৰাভাই সুনাম কঢ়িয়াই আনে। ভৱিষ্যতেও যাতে এই যুৱ-মহোৎসৱত অংশ গ্ৰহণ কৰি অধিক সুনাম কঢ়িয়াই আনিব পাৰে, তাৰেই আশা কৰিলোঁ।

শেষত মোৰ কাৰ্য্যকালত মোক বিভিন্ন দিশত সহায়- সহযোগিতা আগবঢ়োৱা বন্ধু-বান্ধৱী আৰু দাদা, বাইদেউ আৰু ভাইটি-ভন্টিক শ্ৰদ্ধাৰে সুঁৱৰি অজানিতে কৰা ভুল ত্ৰুটিৰ ক্ষমা বিচাৰি জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি কামনা কৰি মোৰ সম্পাদকীয় প্ৰতিবেদনৰ ইতিৰেখা টানিলোঁ।

ধন্যবাদেৰে—

শ্ৰীদিগন্ত দাস

সাংস্কৃতিক সম্পাদক

ছাত্ৰ একতা সভা

জৱাহৰলাল নেহৰু মহাবিদ্যালয়,

২০০২-২০০৩

# সহকাৰী আলোচনী সম্পাদকৰ প্ৰতিবেদন

মহাবিদ্যালয় সপ্তাহ উপলক্ষে আলোচনী বিভাগৰ পৰা আয়োজন কৰা বিভিন্ন প্ৰতিযোগিতাত যিসকল প্ৰতিযোগীয়ে অংশ গ্ৰহণ কৰি প্ৰথম আৰু দ্বিতীয় স্থান লাভ কৰিছিল সেই সকল প্ৰতিযোগীক প্ৰমাণ পত্ৰসহ পুৰস্কৃত কৰা হৈছিল। এইখিনিতে এটা কথা উল্লেখ কৰিব লাগিব যে আমাৰ মহাবিদ্যালয়ত ছাত্ৰ ছাত্ৰীৰ সংখ্যা অনুপাতে প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা তেনেই তাকৰ।

*প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল মহান পুৰুষে আই মাতৃৰ অস্তিত্ব ৰক্ষাৰ অৰ্থে জীৱন উচৰ্গা দিলে সেইসকল শ্বহীদলৈ মোৰ আন্তৰিক শ্ৰদ্ধা জনাইছোঁ। লগতে জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰী বৃন্দলৈ মোৰ আন্তৰিক কৃতজ্ঞতা যাচিছোঁ। আমি কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ কিছুদিন পিছতে মহাবিদ্যালয় সপ্তাহ আৰম্ভ হয়। আন আন বৰ্ষৰ দৰে মহাবিদ্যালয় সপ্তাহ উপলক্ষে আলোচনী বিভাগৰ পৰা আয়োজন কৰা বিভিন্ন প্ৰতিযোগিতাত যিসকল প্ৰতিযোগীয়ে অংশ গ্ৰহণ কৰি প্ৰথম আৰু দ্বিতীয় স্থান লাভ কৰিছিল সেই সকল প্ৰতিযোগীক প্ৰমাণ পত্ৰসহ পুৰস্কৃত কৰা হৈছিল। এইখিনিতে এটা কথা উল্লেখ কৰিব লাগিব যে আমাৰ মহাবিদ্যালয়ত ছাত্ৰ -ছাত্ৰীৰ সংখ্যা অনুপাতে প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা তেনেই তাকৰ। যিসকল ছাত্ৰ-ছাত্ৰী তথা অধ্যাপক -অধ্যাপিকাই লিখনি সমূহ দি "জৱাহৰ জ্যোতি" প্ৰকাশ কৰাত সহায় আগবঢ়ালে তেখেত সকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা থাকিল। মোৰ কাৰ্য্যকালত প্ৰতিটো মুহূৰ্ততে সহায় আগবঢ়োৱা ছাত্ৰ একতা সভাৰ প্ৰতিজন সদস্যকে আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ।*

*সদৌ শেষত অনিচ্ছাকৃত ভুল ত্ৰুটিৰ ক্ষমা বিচাৰি লগতে জৱাহৰ জ্যোতিৰ ভৱিষ্যত উজ্বল কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।*

" জয়তু জৱাহৰলাল নেহৰু মহাবিদ্যালয়"

ধন্যবাদেৰে–

শ্ৰীৰঞ্জন কুমাৰ শৰ্মা
সহকাৰী আলোচনী সম্পাদক
ছাত্ৰ একতা সভা ২০০৩-২০০৪
জৱাহৰলাল নেহৰু মহাবিদ্যালয়,

# তৰ্ক আৰু আলোচনা চক্ৰ বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

বৰ্তমানৰ বিজ্ঞানৰ দ্ৰুত উন্নতিৰ সময়ত যুক্তি আৰু চিন্তা অতি গুৰুত্বপূৰ্ণ বিষয়। বিশ্বৰ যিকোনো পৰিস্থিতিতে চিন্তা আৰু যুক্তিৰে সু-সিদ্ধান্তত আহিব পাৰি।

প্ৰতিবেদনৰ আৰম্ভণিতে মই সেই বীৰ শ্বহীদ সকললৈ সশ্ৰদ্ধ প্ৰণাম জনাইছোঁ, যি সকলৰ আত্ম বলিদান আৰু অক্লান্ত সংগ্ৰামৰ দ্বাৰা আজি দেশমাতৃ গৌৰৱান্বিত। লগতে ২০০২-২০০৩ ইং বৰ্ষৰ মহাবিদ্যালয়ৰ ছাত্ৰ-একতা সভাৰ নিৰ্বাচনত মোক তৰ্ক আৰু আলোচনা চক্ৰ বিভাগৰ সম্পাদকৰ পদত নিৰ্বাচিত কৰা বাবে বন্ধু-বান্ধৱী তথা ছাত্ৰ-ছাত্ৰীসকললৈ আন্তৰিক অভিনন্দন আৰু ধন্যবাদ জ্ঞাপন কৰিছোঁ।

মোৰ সীমিত কাৰ্য্যকালছোৱাত আপোনালোকৰ বাবে কি কৰিব পাৰিলো সেয়া আপোনালোকৰ বিচাৰ্য।

বৰ্তমানৰ বিজ্ঞানৰ দ্ৰুত উন্নতিৰ সময়ত যুক্তি আৰু চিন্তা অতি গুৰুত্বপূৰ্ণ বিষয়। বিশ্বৰ যিকোনো পৰিস্থিতিতে চিন্তা আৰু যুক্তিৰে সু-সিদ্ধান্তত আহিব পাৰি।

মোৰ কাৰ্য্যকালছোৱাত আয়োজন কৰা মহাবিদ্যালয় সপ্তাহত এই বিভাগৰ তৰফৰ পৰা একক তৰ্ক, আকস্মিক বক্তৃতা আৰু কুইজ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়।

প্ৰতিবেদনৰ সামৰণিত মোৰ কাৰ্য্যকালত যিসকলে বিভিন্ন ধৰণে সহায়-সহযোগিতা আগবঢ়ালে সেইসকল বন্ধু-বান্ধৱীলৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। মোৰ কাৰ্য্যকালত যিসকল ছাৰ-বাইদেউ তথা ছাত্ৰ-ছাত্ৰী বন্ধু বান্ধৱীয়ে বিভিন্ন ধৰণে সু-উপদেশ আৰু সহায় সহযোগিতা আগবঢ়াই মোক কৃতাৰ্থ কৰিলে তাক মই কেতিয়াও পাহৰিব নোৱাৰিম।

অৱশেষত মহাবিদ্যালয় তথা ছাত্ৰ-ছাত্ৰীৰ স্বাৰ্থত কৰা জ্ঞাত-অজ্ঞাত ভুলৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰি জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ উজ্বল ভৱিষ্যত কামনা কৰি মই মোৰ প্ৰতিবেদনৰ ইতি ৰেখা টানিলোঁ।

" জয়তু জৱাহৰলাল নেহৰু মহাবিদ্যালয়"

ধন্যবাদেৰে–

মিচ্ তৃপ্তিময়ী তালুকদাৰ

তৰ্ক আৰু আলোচনা চক্ৰ বিভাগৰ সম্পাদক

জৱাহৰলাল নেহৰু মহাবিদ্যালয়,

ছাত্ৰ একতা সভা